অসমত 1857 চনৰ বিদ্ৰোহ ব্যৰ্থ হোৱাৰ কাৰণবোৰ আলোচনা কৰা।

1857 চনৰ বিদ্ৰোহৰ জুয়ে ভাৰতৰ বিভিন্ন অংশৰ লগতে অসমতো খলকনি তুলিছিল। অসমত এই বিদ্ৰোহৰ মূল হোতা আছিল মণিৰাম দেৱান। মণিৰাম দেৱানে উত্তৰ ভাৰতত দেখা দিয়া চিপাহী বিদ্ৰোহৰ সুযোগ গ্ৰহণ কৰি অসমৰ পৰা বৃটিছক খেদি আহোম ৰাজতন্ত্ৰ পুনৰপ্ৰতিষ্ঠা কৰিব বিচাৰিছিল। কিন্তু মণিৰাম দেৱানে এই বিদ্ৰোহৰ নেতৃত্ব বহন কৰিব পৰা নাছিল। কাৰণ এই বিদ্ৰোহ পৰিকল্পনা অনুযায়ী আৰম্ভ কৰাৰ আগতেই বৃটিছ চৰকাৰে এই বিদ্ৰোহ দমন কৰিছিল। মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ফাঁচী দিয়া হৈছিল। মণিৰামৰ বাকী সহযোগী সকলক নিৰ্বাসন দিয়া হৈছিল। এইদৰে এই বিদ্ৰোহ বিফল হৈছিল। অসমত এই বিদ্ৰোহৰ বিফলতাৰ প্ৰধান কাৰণবোৰ তলত আলোচনা কৰা হ'ল।

1. চিপাহী বিদ্ৰোহ সংগঠিত হ'ব বুলি মণিৰাম দেৱান অৱগত নাছিল। গতিকে ইংৰাজৰ কু-শাসনৰ বিষয়ে তথ্য পাতিসহ দিল্লী যাত্ৰাৰ ভাৰত মণিৰাম দেৱানে আৰ্জি দাখিল কৰা সময়ৰে পৰা বৃটিছে তেওঁৰ গতি-বিধিৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল। যাৰ ফলত বিদ্ৰোহ পৰিচালনাত তেওঁ অসমৰ্থ হৈছিল।

2. চিপাহী বিদ্ৰোহ আৰম্ভ হোৱা সময়ত মণিৰাম দেৱান কলিকতাত আছিল। যাতায়াত আৰু যোগাযোগৰ অসুবিধাৰ বাবে কলিকতাৰ পৰা বিদ্ৰোহ পৰিচালনা কৰাটো অসম্ভৱ আছিল।

3. উত্তৰ ভাৰতত চিপাহী বিদ্ৰোহ আৰম্ভ হোৱাৰ লগে লগে অসমত থকা ইউৰোপীয় চাহখেতিয়াৰ মালিকসকল সচেষ্ট হৈ পৰিছিল আৰু তেওঁলোকে মণিৰাম দেৱানৰ কাৰ্য-কলাপ সম্পৰ্কে চৰকাৰক সকিয়াই দিছিল।

Scanned with CamScanner

4. অসমত চিপাহী বিদ্ৰোহৰ সময়ত আৰু পৰিকল্পনা কেৱল নেতৃস্থানীয় লোক আৰু চিপাহী সকলৰ মাজতেই সীমাবদ্ধ আছিল। সাধাৰণ লোকে এই বিষয়ে গমকেই পোৱা নাছিল। গতিকে জনসাধাৰণৰ সক্ৰিয় সহযোগীতা অবিহনে এই বিদ্ৰোহ বিফল হোৱাটো স্বাভাৱিক আছিল।

5. কোম্পানী চৰকাৰৰ প্ৰতি একান্ত বাধ্য হৰনাথ দাৰোগাৰ দৰে অসমীয়া বিষয়াৰ সম্পূৰ্ণ ব্যক্তিগত স্বাৰ্থৰ খাতিৰত এই বিদ্ৰোহ বিফল হোৱাত বহুখিনি সহায় হৈছিল।

6. এই বিদ্ৰোহৰ অসমীয়া বিদ্ৰোহীৰ বিচাৰ প্ৰক্ৰিয়াও আছিল সম্পূৰ্ণ একপক্ষীয়। হলৰয়ড নিজে বিচাৰক আছিল, বিচাৰৰ ৰায় তেওঁ নিজে কাৰ্যকৰী কৰিছিল আৰু শাস্তিৰ বিধান তেওঁ নিজে সাব্যস্ত কৰিছিল। মণিৰাম দেৱানক আপীল কৰাৰ কোনো সুযোগ প্ৰদান নকৰাকৈ বিচাৰৰ প্ৰক্ৰিয়া অতি দ্ৰুততাৰে কৰি বিচাৰৰ ৰায়ৰ কাৰ্যকৰী কৰা হৈছিল। আনকি মণিৰাম দেৱানৰ বিৰুদ্ধে মিছা সাক্ষী দিবলৈ বিশ্বাসী লোকক বলপূৰ্বক সহায় কৰোৱা হৈছিল।

ওপৰোক্ত কাৰণবোৰৰ পৰিপ্ৰেক্ষিতত অসমত 1857 চনৰ বিদ্ৰোহ বিফল হৈছিল।

Scanned with CamScanner